# ভাৰতীয় কলা গৱেষণা প্ৰতিষ্ঠানৰ (আই এফ এ) আৰ্থিক অনুদানৰ কাৰ্যসূচী সমূহৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱা স্বাৰ্থৰ দ্বন্দ (কনক্লিক্ট অব্ ইন্টাৰেষ্ট) সম্বন্ধীয় নিৰ্দেশাৱলী

যিহেতুকে আই এফ এৰ বৰ্তমানৰ আৰু প্ৰাক্তন দাতাসকল নিজ নিজ ক্ষেত্ৰত যথেষ্ট খ্যাতিসম্পন্ন লোক, আই এফ এৰ ফালৰ পৰা আমি কিছু স্বাৰ্থৰ দ্বন্দ সম্বন্ধীয় নিৰ্দেশাৱলী উল্লেখ কৰাটো সমীচিন বুলি ভাবিছো। আমি আশা কৰো যে ইয়াৰ দ্বাৰা আৰ্থিক অনুদান বা বৃত্তি সম্বন্ধীয় যিকোনো সাম্ভাব্য ভাৱ- বিৰোধ বা দ্বন্দ দূৰ কৰিব পৰা যাব। এই নিৰ্দেশাৱলী নিম্নোক্ত সকলো ধৰণৰ ব্যক্তিৰ বাবে প্ৰযোজ্য হ'ব:

## ১) কৰ্মচাৰী সকল

### ১.১ আই এফ এত নিযোগ হৈ থকা সময় কালত

ক. আই এফ এৰ কৰ্মচাৰী সকলে আই এফ এত নিযোগ হৈ থকা সময় কালত আৰ্থিক অনুদানৰ বাবে আবেদন জনাব নোৱাৰিব।

খ. তাৰোপৰি এনে কৰ্মচাৰী সকলৰ **নিকটতম পৰিয়ালৰ** কোনোবা সদস্য অৰ্থাৎ তেওঁলোকৰ পিতৃ-মাতৃ, ভাই-ভনী, স্বামী-পত্নী আৰু সন্তানো তেওঁলোকৰ নিয়োগৰ সময়কালত আৰ্থিক অনুদানৰ আবেদনৰ বাবে যোগ্য নহয়।

গ. যদি কোনো সংগঠনৰ ব'ৰ্ডত বা তাৰ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত আই এফ এৰ কোনো কৰ্মচাৰী প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত হৈ থাকে, তেনে কৰ্মচাৰীৰ নিযোগৰ সময়ছোৱাত সেই সংগঠনে আৰ্থিক অনুদানৰ বাবে কৰা আবেদন গ্ৰহণ কৰা নহ'ব।

### ১.২ আই এফ এৰ সৈতে নিযুক্তিৰ সমাপ্তিৰ পাছত

ক. আই এফ এৰ সৈতে নিযুক্তিৰ দুবছৰ (২ বছৰ) কাল পাৰ নোহোৱা পৰ্যন্ত আই এফ এৰ প্ৰাক্তন কৰ্মচাৰীয়ে কোনো আৰ্থিক অনুদান বা গ্ৰান্টৰ বাবে আবেদন জনাব নোৱাৰিব।

খ. প্ৰাক্তন কৰ্মচাৰীৰ নিকট পৰিয়ালবৰ্গই তেখেতৰ আই এফ এত নিযুক্তি কালৰ সমাপ্তি ঘটাৰ দুবছৰৰ (২ বছৰ) পাছতহে আবেদন জনাব পাৰিব।

গ. আই এফ এৰ প্ৰাক্তন কৰ্মচাৰী যদি কোনো সংগঠনৰ ব'ৰ্ডত জড়িত হৈ থাকে বা তাৰ সিদ্ধান্ত গ্ৰহণৰ ক্ষমতাত থাকে, তেন্তে তেনে সংগঠন বা সংগঠনসমূহে সেই কৰ্মচাৰীৰ আই এফ এৰ নিযুক্তি কালৰ সমাপ্তিৰ এবছৰৰ (১ বছৰ) অন্ততহে আৰ্থিক অনুদান বা গ্ৰান্টৰ বাবে আবেদন জনাব পাৰিব। অৱশ্যে সেই সংগঠনৰ সৈতে তেনে কৰ্মচাৰীৰ যোগসূত্ৰৰ অন্ত পৰিলে তাৰ এবছৰ পাছতহে সেই সংগঠনে আবেদন জনাব পাৰিব।

**২. পৃষ্ঠপোষকসকল**

২.১ তেওঁলোক আই এফ এত পৃষ্ঠপোষক হৈ থকাৰ সময়ত

ক. আই এফ এত পৃষ্ঠপোষক হৈ থকা অৱস্থাত পৃষ্ঠপোষক সকলে কোনো আৰ্থিক অনুদান বা বৃত্তিৰ (ফেল'শ্বিপ) বাবে যোগ্য বিবেচিত নহয়।

খ. আই এফ এত পৃষ্ঠপোষক হৈ থকা অৱস্থাত পৃষ্ঠপোষকৰ নিকটতম পৰিয়ালে আৰ্থিক অনুদান বিচাৰি আই এফ এলৈ আবেদন জনোৱা অনুচিত।

গ. আই এফ এৰ কোনো পৃষ্ঠপোষকে যদি কোনো সংগঠনৰ ব'ৰ্ডত বা তাৰ সিদ্ধান্ত গ্ৰহণ কৰিব পৰা ক্ষমতাত অধিষ্ঠিত হৈ থাকে, তেওঁ আই এফ এৰ পৃষ্ঠপোষক হৈ থকা অৱস্থাত, তেনে সংগঠন আৰ্থিক অনুদানৰ বাবে আই এফ এলৈ আৰ্থিক অনুদানৰ বাবে আবেদন জনাবলৈ উপযুক্ত বুলি বিবেচিত নহ'ব।

২.২ আই এফ এত তেওঁলোকৰ পৃষ্ঠপোষকতাৰ সমাপ্তিৰ পাছত

ক. পৃষ্ঠপোষক হিচাপে আই এফ এত তেওঁলোকৰ কাৰ্যকালৰ সমাপ্তিৰ তিনি(৩) বছৰ নোহোৱা পৰ্যন্ত পৃষ্ঠপোষকসকলে আৰ্থিক অনুদানৰ বাবে আবেদন জনাব নোৱাৰিব।

খ. এনে পৃষ্ঠপোষকৰ নিকটতম পৰিয়ালেও পৃষ্ঠপোষক গৰাকীৰ আই এফ এত কাৰ্যকাল সমাপ্তিৰ তিনি(৩) বছৰ নোহোৱা পৰ্যন্ত আৰ্থিক অনুদানৰ বাবে আবেদন জনাব নোৱাৰিব।

গ. যদি আই এফ এৰ প্ৰাক্তন পৃষ্ঠপোষক কোনো সংগঠনৰ ব'ৰ্ডত অধিষ্ঠিত হৈ থাকে, বা তাৰ কোনো সিদ্ধান্ত গ্ৰহণৰ ক্ষমতাত জড়িত হৈ থাকে; তেন্তে পৃষ্ঠপোষক গৰাকীৰ আই এফ এৰ সৈতে কৰ্মসূত্ৰৰ সমাপ্তিৰ এবছৰ (১ বছৰ) পাছতহে তেনে সংগঠনে আৰ্থিক অনুদানৰ বাবে আবেদন জনাব পাৰিব। অৱশ্যে প্ৰাক্তন পৃষ্ঠপোষকে তেনে সংগঠনৰ দায়িত্বৰ পৰা ওলাই অহাৰ এবছৰ পাছতো সেই সংগঠনে আৰ্থিক অনুদানৰ বাবে আবেদন কৰিব পাৰে।

**৩) দাতাসকল**

**"আই এফ এৰ বন্ধুসকল"** বুলি সেই সকল দাতাক বুজোৱা হৈছে যিয়ে আই এফ এলৈ মাথোন পঞ্চাছ হাজাৰ টকা (আই এন আৰ ৫০,০০০/-) মূল্যৰ বৰঙনি সামগ্ৰিকভাৱে বা কোনো নিৰ্দিষ্ট অনুষ্ঠান বা নিধিলৈ আগবঢ়াইছে।

**"আই এফ এৰ আজীৱন বন্ধুসকল"** বুলিলে সেই দাতাসকলক বুজোৱা হৈছে যিয়ে আই এফ এলৈ মাথোন পঞ্চাছ হাজাৰ টকাতকৈ বেছি (আই এন আৰ ৫০,০০০/-), কিন্তু এক লাখ টকাতকৈ (আই

এন আৰ ১,০০,০০০/-) কম মূল্যৰ বৰঙনি সামগ্ৰিকভাৱে বা কোনো নিৰ্দিষ্ট অনুষ্ঠান বা নিধিলৈ আগবঢ়াইছে।

**“দাতা পৃষ্ঠপোষক”** বুলিলে সেই দাতাসকলক বুজোৱা হৈছে যিয়ে আই এফ এলৈ এক লাখ টকাতকৈ (আই এন আৰ ১,০০,০০০/-) বেছি মূল্যৰ বৰঙনি সামগ্ৰিকভাৱে বা কোনো নিৰ্দিষ্ট অনুষ্ঠান বা নিধিলৈ আগবঢ়াইছে।

**“প্ৰতিষ্ঠানীয় দাতাসকল”** বুলিলে সেইসকল দাতাক বুজোৱা হৈছে যি কোনো ব্যক্তি নহৈ বেচৰকাৰী সংস্থা, ন্যাস, সমবায়, সমিতি আদি হয় আৰু আই এফ এলৈ সামগ্ৰিকভাৱে বা ইয়াৰ কোনো নিৰ্দিষ্ট অনুষ্ঠান বা নিধিলৈ আৰ্থিক বৰঙনি আগবঢ়ায়।

ক. আই এফ এৰ বন্ধুসকলে তেওঁলোকৰ সাহায্য দানৰ সময়সীমাৰ অৱসান ঘটাৰ এবছৰ (১ বছৰ) পাছতহে আই এফ এৰ আৰ্থিক অনুদানৰ (গ্ৰাণ্ট/ ফেল'শ্বিপ)বাবে আবেদন জনাব পাৰিব।

খ. আজীৱন বন্ধুসকলে তেওঁলোকে আই এফ এলৈ দান আগবঢ়োৱাৰ তিনি বছৰ (৩ বছৰ) পাছতহে কোনো আৰ্থিক অনুদানৰ (গ্ৰাণ্ট/ ফেল'শ্বিপ)বাবে আবেদন জনাব পাৰিব।

গ. দাতা পৃষ্ঠপোষক সকলক তেওঁলোকৰ আই এফ এলৈ যোগোৱা আৰ্থিক বৰঙনিৰ সময়কালৰ সমাপ্তিৰ পাঁচ বছৰ (৫ বছৰ) পাৰ নোহোৱালৈকে আই এফ এৰ আৰ্থিক অনুদানৰ আবেদনৰ বাবে উপযুক্ত বুলি বিবেচিত কৰা নহ'ব।

ঘ. আই এফ এয়ে প্ৰতিষ্ঠানীয় দাতা সকলক তেওঁলোকে প্ৰদান কৰা অৰ্থৰ ব্যৱহাৰৰ বিষয়ে আৰ্থিক প্ৰতিবেদন দাখিল কৰিব। আই এফ এৰ পৰা আৰ্থিক প্ৰতিবেদন পোৱাৰ এবছৰ (১ বছৰ) পাছতহে প্ৰতিষ্ঠানীয় দাতাসকলে আৰ্থিক অনুদান বিচাৰি আবেদন জনাব পাৰিব। প্ৰতিষ্ঠানীয় দাতা সকলক আমি আই এফ এৰ তৰফৰ পৰা এই কথা খুবেই স্পষ্টভাৱে জনাব বিচাৰোঁ যে প্ৰকল্প বা বিত্তীয় দায়বদ্ধতাৰ অন্ত পৰিলেহে তেওঁলোকলৈ চূড়ান্ত ৰূপত আৰ্থিক প্ৰতিবেদন দাখিল কৰা হ'ব।

ঙ. প্ৰতিষ্ঠানীয় দাতাৰ কৰ্মচাৰী সকলে বা সেই প্ৰতিষ্ঠানৰ সিদ্ধান্ত গ্ৰহণ ক্ষমতাত থকা অন্যান্য লোকেও আই এফ এৰ আৰ্থিক অনুদানৰ বাবে আবেদন জনাব পাৰে। কিন্তু তেওঁলোকে আবেদন জনোৱাৰ কমেও এবছৰ (১ বছৰ) আগত আই এফ এই সেই প্ৰতিষ্ঠানলৈ তেওঁলোকৰ পৰা লাভ কৰা সাহায্যৰ ব্যৱহাৰৰ বিষয়ে আৰ্থিক প্ৰতিবেদন দাখিল কৰিব লাগিব; নাইবা যদি আবেদনকাৰী তেনে কৰ্মচাৰীৰ সেই প্ৰতিষ্ঠানৰ সৈতে নিযুক্তি বা সেৱাৰ কমেও এবছৰ আগেয়েই ওৰ পৰিছে, তেনেক্ষেত্ৰত তেওঁলোকে আই এফ এৰ আৰ্থিক অনুদানৰ বাবে আবেদন জনাব পাৰে।